

# গান্ধী আর নেহরু

বড়ুয়া

# গান্ধী আৰু নেহৰু

[ মহাত্মা আৰু জবাহৰলালৰ চমু জীৱনী ]

ভাৰত চৰকাৰৰ শিক্ষা দপ্তৰৰ সাহায্যত অসমৰ শিক্ষাধিকাৰৰ
উদ্যোগত অনুষ্ঠিত লিটাৰেৰি ৱৰ্কশ্বপত ৰচিত

শ্ৰীতৰুলতা বৰুৱা

প্ৰথম সংস্কৰণ

১৯৫৮

লিটাৰেৰি ৱৰ্কশ্বপ্

শিলং গুৱাহাটী

সম্পাদক-প্রকাশক :
ড° মহেশ্বর নেওগ
ডাইরেক্টর, লিটারেরি ৱর্ক-শ্বপ'
গুৱাহাটী শিলং

মূল্য—৩১ ন. প.

মুদ্রক :
শ্রীকালীচরণ পাল
নবজীবন প্রেস
৬৬ গ্রে ষ্ট্রীট, কলিকাতা-৬

# পাতনি

নিজে ন-লেখক হৈ, ন-শিকাৰুৰ কাৰণে এই কিতাপ লিখিবলৈ যোৱাটো, বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ দৰেই।

ছিলঙত চৰকাৰৰ দ্বাৰা অনুষ্ঠিত হোৱা শিক্ষা সত্ৰৰ ডিৰেক্টৰ মহোদয় ডক্টৰ মহেশ্বৰ নেওগ ডাঙৰীয়াৰ শিক্ষা আৰু উদগনিত এই সৰু কিতাপখনি লিখা হৈছে। তেখেতলৈকে কৃতজ্ঞতাৰে অন্তৰৰে শ্ৰদ্ধা জনাইছো।

জগত-বৰেণ্য মহামানৱ মহাত্মাজী আৰু জগত-বিখ্যাত মহানেতা জৱাহৰলালৰ জীৱনী ক্ষুদ্ৰ আকাৰত লিখা মোৰ বাবে ফুটুকাত হাতী ভৰোৱাৰ দৰেই অসম্ভৱ।

সৰল, সহজ, সৰসভাৱে সদ্য-সাক্ষৰ সকলৰ বাবে এই কিতাপ লিখিবলৈ চেষ্টা কৰা হৈছে। কোনো ত্ৰুটি কিবা হলে পঢ়ুৱৈসকলে নিজ গুণে মৰিষণ কৰে যেন।

নিউ ৰ'ড, যোৰহাট
২. ৪. ৫৭.

তৰুলতা বৰুৱা

# গান্ধী আৰু নেহৰু

আমাৰ দেশখন কোন কোন মহাপুৰুষে গঢ় দিলে? কোনে পৰাধীন দেশখন স্বাধীন কৰিলে? তেওঁলোকৰ বিষয়ে জানিব খোজা বাবে, সঁচাকৈয়ে বাইদেও, মই বৰ ৰং পাইছো। আজি তেওঁলোকৰ দুজনমানৰ কথা তোমাৰ আগত কওঁ বাৰু দেই।

আমাৰ দেশৰ ডাঙৰ নেতাসকলৰ বিষয়ে কবলৈ লওঁতেই, আহোম বুৰঞ্জীৰ পাত জিলিকাই ৰখা, বীৰ লাচিতৰ, "দেশতকৈ মোমাই ডাঙৰ নহয়" কথাষাৰ মনত পৰিল।

আমাৰ জীৱন কাৰ বাবে বাৰু? নিজৰ দেশৰ, দহৰ, জগতৰ কুশল সাধনা কৰিবলৈকে নহয় জানো?

এওঁলোকৰ জীৱনত আমি এনে আদৰ্শকে দেখা পাম। এওঁলোকৰ কথা জানিলে সকলোৰে নিশ্চয় বহুত উপকাৰ হব। তেওঁলোকৰ আদৰ্শকে লৈ, দেশৰ সন্তান ভাল হব পাৰিব।

এতিয়া বাৰু প্ৰথমে ভাৰতবাসীৰ পিতৃৰ সদৃশ মহাত্মা গান্ধীৰ কথাকে শুনা।

মহাত্মা গান্ধী ভাৰতৰ পৰাধীনতাৰ বান্ধ মুকলি কৰোঁতা। অহিংসা, লোকৰ উপকাৰ কৰা, মানুহক ভাল-পোৱাই তেওঁৰ জীৱনৰ মূল মন্ত্ৰ আছিল। গোটেই জগতৰে তেওঁ মঙ্গল চিন্তা কৰিছিল। আচল সত্যক বিচাৰি উলিওৱাই আছিল তেওঁৰ জীৱনৰ ব্ৰত। আতুৰ জনক সেৱা কৰাই তেওঁৰ জীৱনৰ মূল উদ্দেশ্য।

মহাত্মাৰ মৃত্যুৰ বাতৰি পাই, বিখ্যাত বৈজ্ঞানিক এলবার্ট আইনষ্টাইনে কৈছিল—এনে এজন মানুহে যে মাটিৰ পৃথিৱীত খোজ কাঢ়ি ফুৰিছিল, এই কথাত আমাৰ পিচৰ চাম মানুহে পতিয়নকে নাযাব।

এই শকতি লৈয়ে তেওঁ শক্তিশালী বৃটিছক ভাৰতৰ পৰা খেদাবলৈ সক্ষম হৈছিল। সেইকাৰণেই তেওঁক আমাৰ জাতীয় পিতা বুলি আমাৰ সকলোৱে একে মুখে স্বীকাৰ কৰে। কৰ্ম্মৰ, ধৰ্ম্মৰ, সত্যৰ, পৰোপকাৰৰ তেওঁ বৰ ডাঙৰ এজন সাধক আছিল। তেওঁ আমাক বাট দেখুৱা বাবেই আজি আমি স্বাধীনতা লাভ কৰিলো। তেনেজন মহাপুৰুষৰ জীৱনী শুনিলেও পুণ্য হয়।

গুজৰাটৰ পোৰবন্দৰত মহাত্মা গান্ধীৰ জন্ম হয়। গান্ধীৰ দেউতাকৰ নাম কৰমচাঁদ গান্ধী, মাকৰ নাম পুতলী বাই। তেওঁ বৰ ধৰ্ম্মভীৰু মহিলা আছিল। সন্তান সকল যাতে ভাল হয়, তাৰ বাবে তেওঁ চোকা নজৰ ৰাখিছিল।

সৰুকালত গান্ধীজীৰো আন আন ল'ৰাৰ দৰে কিছু দোষ আছিল। কিন্তু যেতিয়া সেই দোষবোৰ বেয়া বুলি

জানিছিলে, তেতিয়া সেই দোষবোৰ এৰি পেলাইছিল। তেওঁ চুৰটো খাইছিল, দোকানত চুৰকৈ মঙহো খাইছিল। ককায়েকৰ হাতৰ খাৰুৰ সোণ চুৰ কৰিছিল। এইবোৰ দোষ তেওঁৰ লগৰ লগৰীয়াৰ পৰা হৈছিল। অকলশৰীয়া হলে, এই বেয়া কাম বোৰৰ বাবে তেওঁ নিজকে ধিক্কাৰ দিছিল। শেষত তেওঁ এনে বেয়া অভ্যাসবোৰ এৰি দিবলৈ শপত খায়। এই দোষবোৰৰ কথালৈ, দেউতাকক তেওঁ এখন কাকত লিখি দিয়ে। তেওঁ এই কামবোৰৰ বাবে দেউতাকৰ পৰা শক্তি বিচাৰিছিল। এনে কাম আৰু নকৰো বুলিও শপত খাইছিল। দেউতাকে এই কাকতখন কেইবাবাৰো পঢ়ি নিললে চকুপানী টোকে। গান্ধীয়ে এনে দৃশ্যবোৰ দেখি উচুপি উচুপি কান্দিছিল। সেই দিনাৰপৰা গান্ধীয়ে দোষ স্বীকাৰ কৰি অনুতাপ কৰিলে কিমান বিমল আনন্দ পোৱা যায় তাক জানিলে। ইয়াৰ পৰাই বুজা যায় গান্ধী সৰুৰেপৰাই কিমান সত্যবাদী আছিল।

গান্ধীজীয়ে তেৰ বছৰ বয়সতে কস্তুৰবা গান্ধীক বিয়া কৰায়। কস্তুৰবা আৰু গান্ধী প্ৰায় সমান বয়সৰ আছিল। সেই সময়ত গান্ধীজী স্কুলীয়া ছাত্ৰ আছিল। কস্তুৰবায়ে একেবাৰে লিখাপঢ়া নাজানিছিল। গান্ধীয়ে তেওঁক লিখা-পঢ়া শিকাইছিল। কস্তুৰবা শেষত জগতৰ এগৰাকী শ্ৰেষ্ঠ মহিলা বুলি জনাজাত হ'ল। কস্তুৰবা আছিল বিনয়ী, নম্ৰ আৰু নীৰৱে সেৱা কৰা বিধৰ। তেওঁ মহাত্মা গান্ধীৰ প্ৰেম, ধৰ্ম আৰু অহিংস সেৱাৰ যেন দেৱী মূৰ্ত্তিহে। ত্যাগত, মনৰ বলত আৰু সত্যপালন কৰাত, আগৰ যুগৰ ভাৰতৰ

যেন এগৰাকী মহাসতী। সীতাই ৰামক শুশ্ৰূষা কৰাৰ দৰে, তেওঁ তিনি কুৰি বছৰ মহাত্মাক আপদে-বিপদে আগুৰি আছিল। সাবিত্ৰীয়ে নিজৰ স্বামীক মৰণৰ পৰা বচাইছিল। কস্তুৰবায়েও কেইবাবাৰো, সেৱা-যতনেৰে গান্ধীজীক টান টান বেমাৰৰ পৰা জীয়াই তুলিছিল।

সোতৰ বছৰ বয়সত গান্ধীজীয়ে প্ৰৱেশিকা পৰীক্ষা পাচ কৰে। তাৰ আগতে তেওঁৰ পিতৃৰ মৃত্যু হয়। ইয়াৰ পাছত তেওঁ বেৰিষ্টাৰ হবৰ বাবে বিলাতলৈ যায়। তেতিয়া তেওঁৰ বয়স মাথোন কুৰি বছৰ আছিল আৰু সেই সময়তে তেওঁ এটি সন্তানৰ বাপেক হৈছিল।

বিলাতলৈ যোৱাৰ আগতে মাকে তিনিটা শপত খুৱাইহে গান্ধীক বিলাতলৈ যাবলৈ অনুমতি দিছিল। 'মদ নাখাওঁ, মঙহ নাখাওঁ, আৰু কোনো তিৰুতাৰ সঙ্গ নলওঁ'—বুলি গান্ধীয়ে মাকৰ ওচৰত শপত খাইহে বিলাতলৈ ৰাওনা হয়। তেওঁ এই কথা কেইটা অন্তৰেৰে অতি নিষ্ঠাৰে সৈতে পালিছিল।

গান্ধীজী বিলাতত তিনি বছৰ থাকি বেৰিষ্টাৰী পাচ কৰি ভাৰতলৈ ঘূৰি আহে আৰু বোম্বাইত আইন্ ব্যৱসায় আৰম্ভ কৰে। তাৰ আগতেই তেওঁৰ মাতৃদেৱীৰো মৃত্যু হয়।

সৰুকালৰ পৰা তেওঁ বৰ লাজকুৰীয়া বিধৰ আছিল। আইন্ ব্যৱসায়ত তেওঁ মুঠেই ভাল কৰিব নোৱাৰিছিল। বম্বেৰ আদালতত তেওঁ লোৱা প্ৰথম বিচাৰটোতে তেওঁ বৰ বেয়াকৈ হাৰিছিল, যেঁহাই যেঁহাই অলপ তৰ্ক কৰি লাজ পাই তেওঁ বিচাৰৰ পৰা ঘৰলৈ ঘূৰি আহিল।

এবাৰ গান্ধীজী এটা বিচাৰত আফ্ৰিকালৈ যায়। তেওঁ আফ্ৰিকালৈ মাত্ৰ কিছু দিনৰ কাৰণেহে গৈছিল। কিন্তু তাৰ অৱস্থাই তেওঁক তাত কুৰি বছৰ থাকিবলৈ বাধ্য কৰালে। গান্ধীজী আফ্ৰিকালৈ নোযোৱা হলে হয়তো স্বাধীনতা ইমান সোনকালে নহলহেতেন।

ইংৰাজ সকলে আফ্ৰিকাতো ৰাজত্ব কৰিছিল। তেওঁ-লোকে ক'লা মানুহক ঘিণ কৰি নানাৰকমে অত্যাচাৰো কৰিছিল। গান্ধীকো তেওঁলোকে মাৰ-ধৰ কৰি অত্যাচাৰ কৰিছিল। গান্ধীজীয়ে অহিংস নীতিৰে ইংৰাজ সকলৰ কুকাৰ্য্য কেনেকৈ আঁতৰাব, এইকথা গভীৰ ভাৱে চিন্তা কৰি তাত থকা সকলো ভাৰতীয়ৰ সৈতে লগ লাগি এখন সমিতি পাতে; তাৰ নাম দিছিল "নাটাল ভাৰতীয় কংগ্ৰেছ"। সভা-সমিতি পাতি ইংৰাজ সকলৰ কথাৰ প্ৰতিবাদ কৰিছিল। সেইকাৰণে ইংৰাজ সকলৰ তেওঁ চকুৰ কুটা, দাঁতৰ শূল হৈছিল।

হলেণ্ডৰ অধিবাসীসকলক ওলন্দাজ বুলি কয়। ওলন্দাজ আৰু ইংৰাজ সকলৰ আফ্ৰিকাত এখন ডাঙ্গৰ-ময়ৰ ৰণ লাগে। তাকে বুৱৰ যুদ্ধ বুলি জনা যায়। সেই যুদ্ধত বৃটিছৰ আহত সৈন্যসকলৰ সেৱা-শুশ্ৰূষাৰ কাৰ্য্যত গান্ধীয়ে বহুতো সহায় কৰে। তেওঁৰ সেৱা কাৰ্য্যৰ বাবে বৃটিছ সকলে, তেওঁক এটি উপহাৰ দি অশেষ প্ৰশংসা কৰে। আফ্ৰিকাত তেওঁ স্থায়ী ভাৱে থাকিবলৈ ললে। আইন্ ব্যৱসায়তকৈ ৰাজহুৱা কামেই তেওঁৰ মুখ্য উদ্দেশ্য হ'ল। জনসেৱাই ভগৱানৰ সেৱা বুলি তেওঁ ধৰি লৈছিল। তেওঁ

নিজৰ উপাৰ্জনৰ বেছি ভাগ টকা বাইজৰ কামতেই খৰচ কৰিছিল। ঘৰুৱা কাম আৰু ধোবা-নাপিতৰ কামো তেওঁ নিজেই কৰিছিল। তেওঁ সদায় আদালতলৈ পাঁচ মাইল বাট খোজ কাঢ়ি অহা-যোৱা কৰিছিল। ঘৰুৱা জীৱনৰ খৰচ তেওঁ একেবাৰেই কমাই দিছিল। তাত তেওঁ খবৰ কাগজ এখন প্ৰকাশ কৰিছিল। আমাৰ আগৰ ঋষিমুনি সকলে কৰাৰ দৰে 'টলষ্টয় ফাৰ্ম' নাম দি তেওঁ এখন আশ্ৰম খুলিছিল। এনে সময়ত দক্ষিণ আফ্ৰিকাত এখন আইন্ পাচ হয়। এই আইন্ মতে সকলো ভাৰতীয় ক'লা মানুহকে চৰকাৰী তালিকাভুক্ত কৰা হ'ল। তেওঁলোকৰ সাধাৰণ বহুত স্বত্ব খৰ্ব হ'ল। সকলোৱে প্ৰতিজ্ঞা কৰিলে—"আমি মৰিও অহিংস নীতিৰে এই আইনৰ বিৰুদ্ধে যুঁজ দিম।" এয়ে গান্ধীৰ পোন প্ৰথম মৰণ-জয়ী অহিংস নীতিৰ আঁচনি।

সত্যাগ্ৰহ মানে, সত্য আৰু প্ৰেমৰ পৰা ওপজা এটি ভিতৰৰ মানসিক শক্তি। ইয়াৰ শক্তি অসীম। দুৰ্ব্বলে ইয়াৰ অধিকাৰী হব নোৱাৰে। এই আইনৰ প্ৰতিবাদ কৰোঁতে মহাত্মাই অনেকবাৰ ফাটেক খালে। ৰ'দত বহি তেওঁ শিল ভাঙিব লগীয়া হৈছিল আৰু অনেক লাঞ্ছনা সহ্য কৰিছিল। তেওঁ ভীষ্মৰ দৰে নিজৰ প্ৰতিজ্ঞাৰ পৰা অলপো লৰচৰ নহ'ল। পাছত ইংৰাজ সকলে এই বিল সংশোধন কৰে।

*১৯১৪-১৯১৮ চনত বিশ্বব্যাপী প্ৰথম মহাৰণ চলিল। তাত গান্ধীজীয়ে বৃটিছক যিমান দূৰ পাৰে সহায়

কৰিলে। তেওঁ এটা ভাৰতীয় স্বেচ্ছাসেৱক বাহিনী গঢ়ি তুলিছিল আৰু সকলো ৰকমে ইংৰাজক সহায় কৰিছিল। তেওঁৰ সেৱাকাৰ্য্য আৰু অহিংস নীতিত মুগ্ধ হৈ কবিগুৰু ৰবি ঠাকুৰেই পোনতে তেওঁক 'মহাত্মা' বুলি সম্বোধন কৰিছিল আৰু তেতিয়াৰপৰাই সকলো ভাৰতবাসী আৰু জগতবাসীয়ে তেওঁক মহাত্মা বুলিয়েই কয়। তেওঁৰ পৰমবন্ধু গোখেলক চাবলৈ তেওঁ বিলাতলৈ গ'ল, আৰু বিশ্বজোৰা মহাসমৰৰ সময়ত তেওঁ ভাৰত পালেহি। তেওঁক সকলোৱে অভ্যৰ্থনা জনালে। যুদ্ধ শেষ হলত, ভাৰতীয় লোকসকলক জানিবলৈ বুলি তেওঁ গোটেই ভাৰত ভ্ৰমণ কৰিবলৈ ধৰিলে। বহুত ঠাইত অহিংস নীতি আৰু সত্যাগ্ৰহ শক্তিৰ বিষয়ে তেওঁ ৰাইজক বুজাবলৈ ধৰিলে। ভাৰতত এটি নতুন শক্তি জাগি উঠিল। চাৰিওফালে নতুন সোঁত ববলৈ ধৰিলে। ভাৰতীয় ৰাইজৰ অন্তৰত এটা খুন্দুহা সৃষ্টি হ'ল। পৰাধীন ভাৰতীয়ই স্বাধীনতাৰ মোল বুজি পালে। ভাৰতৰ আকাশৰ কলা মেঘবোৰ যেন আঁতৰি যাব। যেন এটা ভূমিকম্পত পুৰণিবোৰ জহি খহি শেষ হৈ যাব। পুৰণি ভাৰতখন নতুন হৈ উপজিব। মহাত্মাৰ সোনৰ সপোনৰ ভাৰতক সকলোৱে যেন দিঠকতে দেখিবলৈ পালে।

আফ্ৰিকাত স্থাপন কৰা টলষ্টয় আশ্ৰমৰ দৰে, ভাৰততো তেওঁ 'সবৰমতী আশ্ৰম' স্থাপন কৰিলে। তাতে থাকি তেওঁ ভাৰতৰ স্বাধীনতাৰ যুদ্ধ চলাবলৈ ঠিক কৰিলে। বৃটিছে কৰা অন্যায় বোৰৰ বিৰুদ্ধে তেওঁ মূৰ তুলি থিয় দিলে। মহাত্মাৰ অহিংসনীতি আৰু সত্যৰ শক্তিত বৃটিছৰাজ ভয়ত

কঁপি উঠিল। সেইকাৰণে ভাৰতীয়সকলক দমন কৰিবলৈ বুলি এখন আইন্ ৰচনা কৰে। তাৰ নাম হ'ল 'ৰাওলাট আইন্'। এই আইন্ মতে পুলিচে ভাৰতীয়সকলক কোনো কাৰণ নোহোৱাকৈয়ে আটক কৰিব পৰা হ'ল, আৰু আদালতত বিচাৰ নোহোৱাকৈয়ে তেওঁলোকক ফাঁচি বা ফাটেক দিব পৰা হ'ল। মহাত্মাৰ পৰিচালনাত ৰাইজে মূৰ তুলি থিয় দিলে। দিল্লীত ১৯৩০ চনৰ ১০ মাৰ্চত ৰাইজে মিলি হৰতাল আৰম্ভ কৰিলে। পুলিচে নিঃসহায় বহুত মানুহকে পশুৰ দৰে গুলিয়াই মাৰিলে। মহাত্মাৰ কাৰ্য্যক্ষেত্ৰ বহুত পৰিমাণে বহল হ'ল। গোটেই ভাৰত এই কথাত জাগ্ৰ্‌ত হৈ থিয় দি উঠিল। মহাত্মাৰ উপদেশমতে ছয় এপ্ৰিলৰ দিনা, বৃটিছ চৰকাৰৰ কু-কাৰ্য্য প্ৰতিবাদ কৰিবলৈ বুলি হৰতাল কৰা হ'ল।

পঞ্জাবত এই আইনৰ বিৰুদ্ধে এক গোট হ'ল। গোটেই পঞ্জাবতে কোনোবাই যেন জুইহে জ্বলাই দিলে। এই প্ৰতিবাদ কৰিবলৈকে পঞ্জাবৰ জালিয়ানৱালাবাগত এখন মেল বহিছিল। তাত হাজাৰ হাজাৰ লোক গোট খাইছিল। এই নিৰীহ লোকসকলক বৃটিছ চৰকাৰে বনৰ পশু মৰাৰ দৰে অমানুষিক ভাৱেৰে বধ কৰে। পৃথিৱীত এনে হত্যাকাণ্ড অতি বিৰল। এই হত্যাকাণ্ড মাইকেল ওডায়াৰৰ দ্বাৰা হৈছিল। তেওঁ মহাত্মা গান্ধীকে এইবাবে দায়ী কৰিছিল। এনেবোৰ কু-কাৰ্য্যৰ বাবে, গান্ধীয়ে বৃটিছৰ লগত সকলো ৰকমে অসহযোগ কৰিবলৈ সকলো ভাৰতীয়কে অনুৰোধ কৰে।

ইংৰাজী ১৯২০ চনত কংগ্ৰেছ মহাসভাত অসহযোগ আন্দোলন কৰিবলৈ বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। অসহযোগ আন্দোলন সৰ্ব্বসম্মতিক্ৰমে গ্ৰহণ কৰিলত, তাৰ প্ৰচাৰ কাৰ্য্যৰ কাৰণে মহাত্মা গান্ধীয়ে আকৌ গোটেই ভাৰত ভ্ৰমণ কৰিবলৈ ওলায়। ১৯২১ চনত মহাত্মা প্ৰথম বাৰৰ বাবে অসমলৈ আহে। তেওঁ অসমৰ ঘৰে ঘৰে তাঁতশাল, আৰু তিৰুতাবোৰ শিপিনী বুলি জানি গৌৰৱ অনুভৱ কৰে। আমাৰ অসমৰ বিখ্যাত দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ দেৱৰ যত্নত অসহযোগ আন্দোলন ঠন ধৰি উঠাত তেওঁ বৰ আনন্দ পায়।

অসহযোগ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে, যুক্ত-প্ৰদেশ বৰদোলিত কিছুমান স্বেচ্ছাসেৱকে তাৰ থানাত জুই লগাই দিয়ে আৰু বাইছ জন পুলিচক এই জুয়ে পুৰি মাৰে। এনে কথাত মহাত্মাৰ বৰ খং উঠিল। তেওঁ জীৱন পণ কৰিছিল—অহিংস নীতিৰে অসহযোগ কৰি, বৃটিছৰ শাসন ভাৰতবাসীৰ হাতলৈ আনিব। কিন্তু এনে হিংসা নীতি তেওঁ কেতিয়াও সমৰ্থন কৰিব নোৱাৰে। তেওঁ সেইকাৰণে বহুত দিনলৈকে এই অসহযোগ আন্দোলন স্থগিত ৰাখিছিল। তথাপি বৃটিছ চৰকাৰে তেওঁক ৰাজদ্ৰোহী বুলি আদালতত বিচাৰ কৰি জেলত সুমুৱায়। ছবছৰ তেওঁ ফাটেক খাব লগীয়া হয়। ভাৰতত তেওঁ এয়ে পোণ প্ৰথম জেলত সোমায়। মহাত্মা যাৰবাদা জেলত থাকোঁতে, এই জেল ভাৰতৰ নানা ঠাইৰ মানুহৰ সমাগমত যেন তীৰ্থস্থানহে হ'ল। ইয়াত তেওঁ দুবছৰ

সোমাই থাকিব লগীয়া হ'ল আৰু ইয়াতেই তেওঁ মৰিব পাৰে।

বৃটিছসকলে পঞ্জাবত হিন্দু আৰু মুছলমানসকলক ইদলে-সিদলৰ লগত যুঁজিবলৈ লগাই দিলে। ইয়াতে হিন্দু মুছলমানসকলৰ এখন ডাঙৰ মৰা-মৰি হয়। তাৰ পাছত ই ভীষণ ৰূপ ধৰি, গোটেই ভাৰতত বিয়পি পৰে। মহাত্মা গান্ধী এই খবৰত বৰ কাতৰ হৈ পৰিল। তেওঁ অনশন ব্ৰত আৰম্ভ কৰিলে।

বেলগাওঁ কংগ্ৰেছত তেওঁ সভাপতি হৈছিল। তেওঁ তাত কৈছিল—"স্বাধীন ভাৰতত সকলো সমান। ভিক্ষাৰী দুখীয়া থাকিব নোৱাৰিব। ধনীয়ে দুখীয়াক শোষণ কৰিব নোৱাৰিব। পুৰুষ তিৰুতাৰ স্বাধীনতা সমান থাকিব। কোনেও কাকো অস্পৃশ্য বুলি ভাবিব নোৱাৰিব। নিজৰ জীৱিকাৰ কাৰণে সকলোৱে পৰিশ্ৰম কৰিব লাগিব।" এয়ে সোণৰ ভাৰতৰ কল্পনা। এয়ে গান্ধীজীৰ ৰামৰাজ্য।

১৯২৯ চনত ইংলণ্ডৰ বনুৱা দলে চৰকাৰ গঠন কৰে। তাৰ প্ৰধান মন্ত্ৰী ৰামজে মেকডনেল্ডে ভাৰতক নিজে শাসন কৰিবলৈ কিছু ক্ষমতা দিব লাগে বুলি সেইসময়ৰ ভাৰতৰ বৃটিছ ৰাজ-প্ৰতিনিধি আৰৱিণক পৰামৰ্শ দিয়ে। এই শাসনৰ কথা লৈ সৰ্ব্বভাৰতীয় নেতাসকলৰ মাজত বিভিন্ন মত হয়। প্ৰায় সকলোৱে ভাৰতক ভুৱা দিবলৈ বৃটিছসকলৰ এইটো ষড়যন্ত্ৰ বুলি মত প্ৰকাশ কৰে। মহাত্মাই কয়—"ইংৰাজে আমাক ভুৱাহে দিব খুজিছে।" তাৰ পাছত সেইকাৰণে আকৌ জোৰেৰে অসহযোগ আন্দোলন

আৰম্ভ কৰিবলৈ সকলোৱে ঠিক কৰে। সেইকাৰণে প্ৰথমেই মহাত্মাই, শ্ৰীৰামচন্দ্ৰই লঙ্কা জয় কৰিবৰে যোৱাৰ দৰে, দাণ্ডি যাত্ৰা আৰম্ভ কৰে। ইয়াৰ পাছত আইন অমান্য আন্দোলন, লোণ আইন ভঙ্গ, এটাৰ পাছত এটাকে আইন ভঙ্গ কৰা হয় আৰু শেষত মহাত্মাজীক আকৌ জেলত ভৰোৱা হয়। বৃটিছসকলে ঘূৰণীয়া মেজ-মেল পাতি ভাৰতৰ বৰমূৰীয়াসকলৰ সৈতে ভাৰতৰ স্বাধীনতাৰ বিষয়ে আলোচনা কৰিবলৈ ঠিক কৰিলে। মহাত্মাজীয়ে তেতিয়া কৈছিল—"বৃটিছসকলৰ এইবোৰ সকলো ভুৱা, ইয়াত আন্তৰিকতা নাই।" প্ৰথম মেজ-মেলখন নিস্ফল হ'ল। আকৌ বৃটিছসকলে দ্বিতীয় মেজ-মেল পাতে। তালৈ গান্ধীজীক আমন্ত্ৰণ জনায়। গান্ধীয়ে ইয়াত যোগ দিছিল। মেজ-মেল শেষ কৰি বিলাতৰ পৰা ঘূৰি আহোঁতে, বাটত ইংৰাজসকলে মহাত্মাজীক বন্দী কৰিলে। ইংৰাজসকলে কি কৰিম কি নকৰিমকৈ এবাৰ মহাত্মাক বন্দী কৰে, আকৌ বন্দী অৱস্থাৰ পৰা মুক্তি দিয়ে। মহাত্মাক বন্দী কৰিলেই ভাৰতৰ অগণন প্ৰজা জিকাৰ খাই উঠে।

জেলত থাকোঁতে অস্পৃশ্যতা আঁতৰাবলৈ তেওঁ অনশন আৰম্ভ কৰে। বৃটিছসকলে এওঁৰ কাৰ্য্যৰ কাৰণে বিষম ঠেকত পৰিল। বিনাচৰ্ত্তে তেওঁক আকৌ মুক্তি দিয়ে। এওঁ এবাৰ কৈছিল—"অস্পৃশ্যতা লৈ থকাতকৈ হিন্দুজাতি মৰাই ভাল।" ইফালে বৃটিছসকলে লগাই দিয়াত মুছলমান-সকলৰ নেতা কায়েদ আজম জিন্নাই মুছলমান বেলেগকৈ থকা

প্ৰদেশ কেইখন তেওঁলোকক দি, পাকিস্তান গঢ়িব লাগে বুলি দাবী কৰিলে। মহাত্মাই এই পাকিস্তানৰ কথাতে কৈছিল—"মুছলমানসকল এটা বেলেগ জাতি নহয়, এওঁলোক ভাৰতীয়হে, এওঁলোকৰ ভয় অমূলক। ভাৰতীয় সকলোৰে স্বাধীনতা জন্মস্বত্ব।"

১৯৩৯ চনত দ্বিতীয় মহাৰণ আৰম্ভ হয়। এই মহাসমৰত বৃটিছক সহায় নকৰিবলৈ মহাত্মাই দৃঢ় মত প্ৰকাশ কৰিলে, আৰু বৃটিছসকলক কলে যে—"যদি ভাৰতক বিনাচৰ্ত্তে স্বাধীনতা দিয়ে, তেন্তে তেওঁ বৃটিছক যুদ্ধত সহায় কৰিব।" যুদ্ধত বৃটিছসকল চাৰিওফালে হাৰিবলৈ ধৰিলে। ভাৰতীয় জননেতাসকলে যুদ্ধত যোগ নিদিবলৈ ভাৰতীয়সকলোকে অনুৰোধ জনালে। প্ৰায় সকলো নেতাকে আকৌ বৃটিছসকলে বন্দী কৰিলে।

কংগ্ৰেছ মহাসভাই ভাৰত ত্যাগ কৰা প্ৰস্তাৱ গ্ৰহণ কৰিলে। ভাৰত ত্যাগ কৰা মানে বৃটিছসকলে, শাসনভাৰ এৰি ভাৰতীয়সকলক দি আঁতৰি গুচি যাব লাগে। মহাত্মাক আকৌ বন্দী কৰি আগাখাঁৰ প্ৰাসাদত আটক কৰি ৰাখিছিল। ইয়াতে তেওঁ ইংৰাজৰ দুৰ্নীতিৰ বাবে আকৌ অনশন আৰম্ভ কৰে। মহাত্মাৰ এই অনশনে পৃথিৱী কঁপাই তোলে। এই অনশনত মহাত্মাৰ মৃত্যু সুনিশ্চিত বুলি সকলোৱে এক মুখে স্বীকাৰ কৰিছিল। কিন্তু মহাত্মাৰ কি অলৌকিক শক্তি। মৰো মৰো অৱস্থাৰ পৰাই তেওঁ জী উঠি জগতবাসীক বিস্ময়ত পেলালে।

এই আগাখাঁৰ প্ৰাসাদতে তেওঁৰ প্ৰিয়তমা পত্নী কস্তুৰবায়ে

পৰলোকলৈ গতি কৰিলে। ইয়াৰ পাছতেই মহাত্মাজীক বৃটিছ চৰকাৰে বন্দীশালৰ পৰা মুক্তি দিয়ে।

১৯৪৫ চনত মহাৰণ অন্ত পৰে। বৃটিছসকলেও অন্তৰৰ পৰা বুজিলে যে ভাৰতক সম্পূৰ্ণ স্বাধীনতা নিদিলে ভাৰত এদিন স্বাধীন হবই। চাৰিওফালে, জল-জল পট-পট চিন তেওঁলোকে দেখিলে। কিন্তু ভূত যোৱাৰ সময়ত গছৰ ডাল ভাঙি যোৱাৰ দৰে বৃটিছে অলপ অনৰ্থ ঘটাই গ'ল। কলিকতা, নোৱাখালি আদিৰ হত্যাকাণ্ডৰ অমানুষিক অত্যাচাৰৰ কথা শুনিলে গাৰ নোম শিয়ৰি উঠে। মহাত্মাই এই কথাত অস্থিৰ হৈ উঠিল। তেওঁ নোৱাখালিৰ হত্যাকাণ্ডৰ মাজে মাজে খোজ কাঢ়ি ফুৰিবলৈ ধৰিলে। তেওঁ শান্তিদূত হিচাপে কাম কৰি গ'ল। অহিংসা আৰু শান্তিৰ দূত মহাত্মাই প্ৰাণেৰে আহ্বান জনালে—"ভায়ে ভায়ে কটাকটি নকৰিব। প্ৰেমেই মানব ধৰ্ম।"

১৯৪৭ চনৰ ১৫ আগষ্টত ইংৰাজসকলে ভাৰতক স্বাধীনতা দিয়ে। মহাত্মাৰ উদ্দেশ্য সফল হলেও, ভাৰত দুভাগ হ'ল। পাকিস্থানৰ সৃষ্টি হ'ল।

স্বাধীন ভাৰতৰ সপোন তেওঁৰ জীৱনকালতে ডিঠকতে পৰিণত হ'ল। ১৯৪৮ চনৰ 30 জানুৱাৰীৰ দিনা, দিল্লীত এজন নিষ্ঠুৰ মাৰাঠী ডেকাই মহাত্মাক বিৰলা ভৱনত প্ৰাৰ্থনা-সভালৈ যাওঁতে গুলিয়াই হত্যা কৰিলে।

এজন মহামানৱ পৃথিৱীৰ পৰা গুচি গ'ল। মহাত্মা গান্ধীৰ ত্যাগে ভাৰতবাসীক দাসত্বৰ পৰা মুক্ত কৰি, স্বাধীনতাৰ সোৱাদ দিলে। এখন নতুন ভাৰত গঢ় দিবলৈ

আমাক শকতি দি গ'ল। ভাৰতবাসীয়ে তেওঁৰ মৃত্যুৰ শোকত অধীৰ হ'ল। যমুনাৰ পাৰত তেওঁৰ নশ্বৰ দেহা পোৰা হ'ল। কিন্তু তেওঁ আমাৰ মাজত চিৰকাল জীয়াই থাকিব।

মহাত্মাজীৰ জীৱনৰ পণ আছিল ভাৰত স্বাধীন কৰা, পৃথিৱীত শান্তিৰ, সত্যৰ আৰু প্ৰেমৰ বাণী প্ৰচাৰ কৰা।

বাইদেও! খুব মনোযোগেৰেই তুমি মহাত্মাজীৰ কথা শুনিলা। এইবাৰ তেওঁৰ যোগ্য শিষ্য জৱাহৰলাল নেহৰুৰ কথা শুনা।

নেহৰু পৰিয়ালে যেনেভাৱে দেশৰ সেৱা কৰিছে, আৰু দেশৰ হকে ত্যাগ কৰিছে, সি ভাৰতৰ বুৰঞ্জীত অক্ষয় হৈ থাকিব। ভাৰতৰ স্বাধীনতাৰ ৰণত এই পৰিয়াল সদায় আগবঢ়ুৱা আছিল।

আমাৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল প্ৰতাপী লোক। তেওঁৰ খ্যাতি পৃথিৱীৰ চাৰিওফালে বিয়পি পৰিছে। তেওঁৰ ভনীয়েক বিজয়লক্ষ্মী পণ্ডিতৰো কাম আৰু কথা আজি পৃথিৱীৰ সকলোৱেই জানে। তেওঁৰেই ভনীয়েক কৃষ্ণা

হাথীসিঙো এগৰাকী বিখ্যাত লেখিকা। এনে পৰিয়াল পৃথিৱীৰ ভিতৰত বিৰল।

প্ৰধান মন্ত্ৰী জৱাহৰলালৰ মাকৰ দেশপ্ৰেমো অতুলনীয় আছিল। এওঁ পুলিচৰ মাৰকো হাঁহি মুখে সহ্য কৰিছিল। বাপেক মাক যাৰ ইমান ডাঙৰ আছিল, তেওঁলোক ডাঙৰ হোৱাটো কোনো আচৰিত কথা নহয়। তেওঁলোকৰ কাৰণেই আমাৰ এই স্বাধীনতা পালোঁহক। এনে মাতৃৰ এনে সন্তান। মাতৃয়েই সন্তানক গঢ় দিয়ে।

জৱাহৰলালৰ বংশ, কাশ্মীৰৰ ব্ৰাহ্মণ। শেষত এলাহাবাদ বোলা নগৰত নিগাজিকৈ এওঁলোক বসবাস কৰিবলৈ ললে। আমাৰ নেতা জৱাহৰলালৰ ইয়াতেই জন্ম হয়। অতুল ধন-সম্পদৰ মাজত জৱাহৰলাল ডাঙৰ দীঘল হয়। জৱাহৰলালক বাপেকে কঠোৰ শাসনত ৰাখিছিল। মাকে জৱাহৰলালক বৰ মৰম কৰিছিল। মৰম কৰিছিল যদিও ভাল হবলৈ সেইদৰে ভাল শিক্ষাও দিছিল। মাকৰ মুখৰ পৰা ৰামায়ণ-মহাভাৰত আৰু নীতি-কথা জৱাহৰলালে নিতৌ শুনিছিল। তেওঁলোকৰ ঘৰত 'মুন্সী মোবাৰক আলি' বুলি এজন মানুহ আছিল। তেওঁৰ মুখৰ পৰা চিপাহীবিদ্ৰোহৰ কথা শুনি জৱাহৰলালৰ হিয়া দেশপ্ৰেমেৰে ভৰি পৰিছিল।

পিতাক মতিলালে পুতেকৰ শিক্ষাৰ কাৰণে, সৰুৰে পৰা ইংৰাজ শিক্ষয়িত্ৰী ৰাখিছিল। তেওঁ অতি সোনকালেই ইংৰাজী ভাষাত পটু হৈ পৰিল। নানা অবিচাৰৰ বাবে ইংৰাজক ভাৰতীয় সকলে দেখিব নোৱাৰিছিল।

ইংৰাজ সকলেও ভাৰতীয় সকলক বেয়াকৈ ব্যৱহাৰ কৰিছিল। কোনো ভাৰতীয়ই ইংৰাজক সাহেবে উত্তৰ দিব পাৰিলে সেই সময়ত অকণমান জৱাহৰলাল আনন্দত নাচি উঠে। জৱাহৰলালে সেইবুলি ইংৰাজক কেতিয়াও ঘিণ নকৰিছিল। তেওঁ ইংৰাজৰ ভাল গুণবোৰ সৰুৰে পৰাই শিকিবলৈ যত্ন কৰিছিল। নিয়ম পালন কৰা, সাহস, উদাৰ ভাব, সকলো কামতেই পটু হোৱাৰ কাৰণে তেওঁক তেতিয়াৰ পৰাই আনকি বিদেশী সকলেও সম্মান দেখুৱায়।

সৰুৰে পৰাই তেওঁ বৰ সহীন বিধৰ। তেওঁলোকৰ ঘৰলৈ দেশী-বিদেশী লোক প্ৰায়েই আহি থাকে। এসময়ত এটি হাঁহি উঠা কথা হৈছিল। এদিন তেওঁৰ দেউতাকে ৰঙা মদ খাই থকা দেখি জৱাহৰলালে ভয় খাই, লৰি গৈ মাকক কলেগৈ যে তেওঁৰ দেউতাকে তেজ খাইছে। পাচত আচল কথাটো জনাতহে তেওঁৰ ভয় ভাগিল।

জৱাহৰলালে সৰুতে বাপেকৰ ওচৰলৈ যাবলৈ বৰ ভয় কৰিছিল। মাককে সকলো কথা কৈ, হৈঁপাহ গুচায়। জৱাহৰলালৰ নিচিনা সন্তানেও, পিতাক মতিলালৰ হাতত চেকনিৰ কোব খাব লগীয়া হৈছিল।

এদিন বাপেকৰ এটা কলম চুৰ কৰি ধৰা পৰাত বাপেকে তেওঁক বৰ বেচিকৈয়ে পিটিলে। সঁচাকৈয়ে চেকণিৰ আগতহে শিক্ষা বুলি বুঢ়া সকলে ভাবি লয়। আৰু এদিনৰ কথা। তেতিয়া জৱাহৰলালৰ বয়স সাত, আঁঠ বছৰ। দেউতাকে উঠা ঘোঁৰাটোত জিন কচা আছে।

ওচৰতো কেও নাই, এনে সুবিধা বাৰু এৰিব পাৰিনে ? এই বুলি জাপ মাৰি, ঘোঁৰাৰ ওপৰত উঠি, তেওঁ ঘোঁৰা চেকুৰাই দিলে।· ঘোঁৰাই জৱাহৰলালক খাৰেত পেলাই যে আকৌ ঘৰলৈ ঘূৰি আহিল। তদা ঘোঁৰাটো ঘূৰি অহাত ঘৰত হুলস্থুল লাগিল। অলপ পাছত যেতিয়া ধূলিৰে লুতুৰি পুতুৰি হৈ জৱাহৰলাল ঘৰ ওলায়হি, তেতিয়াহে সকলোৰে মুখলৈ পানী আহিল।

মতিলাল নেহৰু আকৌ কিমান কোমল হিয়াৰ সেই কথা জানিলেও আচৰিত হব লাগে।

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ শিষ্য হোৱা বাবে যেতিয়া জৱাহৰলালক ফাটেকালৈ নিয়া হ'ল, তেতিয়া বাপেকৰ কিমান যে চিন্তা ভাবনা হ'ল। পুতেকে কিমাননো দুখ পাইছে তাকে চাবলৈ বুলি, বৰচহকী মতিলালে মাটিত শুই পৰীক্ষা কৰি চাইছিল।

পিতাকৰ প্ৰতি তেওঁৰ কিমান শ্ৰদ্ধা আৰু মৰম আছিল, সেই কথা জৱাহৰলালে নিজৰ জীৱন কাহিনীত ভালকৈ লেখিছে।

অকণমান জৱাহৰলালৰ জন্মদিন বৰ ধুমধামেৰে পতা হৈছিল। এই জন্মদিন প্ৰতি বছৰে বছৰে পতা হয়।

এতিয়া জৱাহৰলালৰ বয়স হৈছে যদিও তেওঁ কিন্তু কেতিয়াও নিজকে বুঢ়া বুলি নাভাবে। তেওঁৰ উদ্যম, কাম কৰিব পৰা ক্ষমতাই বহুত ডেকাকে চেৰ পেলাইছে। দেশ-বিদেশৰ ডেকা-গাভৰু সকলেও তেওঁক ডেকা বুলিহে অভিনন্দন জনায়।

জৱাহৰলালে পৰিভ্ৰমৰ পাছত যেতিয়া কণ-কণ লৰা-ছোৱালী বোৰৰ লগত ধেমালি কৰে, তেতিয়া ধৰিবই নোৱাৰি যে, এদিন এই সিংহ-পুৰুষৰ ভয়ত ইংৰাজ সকলো কঁপি উঠিছিল। কণ-কণ লৰা-ছোৱালী বোৰেও তেওঁক ধেমালিৰ লগৰীয়া পাই আপোন-পাহৰা হৈ যায়।

জৱাহৰলালৰ দৰে, ঘোঁৰাত উঠিব পৰা, লৰ দিব পৰা, সাঁতুৰিব পৰা কেইজন বাক আছে? বয়স হলেও তেওঁৰ মনটো হলে ডেকাৰ দৰে চেঙেলীয়া। তেওঁ সঙ্গৰ মাজেদি, কণ-কণ বোৰক ভূগোল বিজ্ঞান আদি এনেকৈ বুজাই দিব পাৰে যে, তেওঁলোকে এই কথা আৰু কেতিয়াও নাপাহৰে।

দেখাত জৱাহৰলাল প্ৰফুল্ল ভাৱে থাকিলেও তেওঁৰ অন্তৰত নিশ্চয় এটি দুখৰ সোঁত বৈ আছে। কমলা নেহৰু তেওঁৰ অতি মৰমৰ পত্নী আছিল। স্বৰ্গীয়া ভাৰ্য্যালৈ তেওঁ আত্ম-জীৱনীখন উছৰ্গা কৰিছে। তাত লেখিছে, "কমলালৈ, যি কমলা আৰু ইহ-সংসাৰত নাই।" এই কেইটা কথায়েই তেওঁৰ হিয়াত যে কিমান দুখ আছে তাক প্ৰকাশ কৰিছে হিয়াখন যেন বিদাৰি যায়।

জৱাহৰলালে কোনো অন্যায়কে সহিব নোৱাৰে। তেওঁ বৰ পৰিশ্ৰমো কৰিব পাৰে। তেওঁ জিৰণি নোলোৱাকৈ প্ৰফুল্ল মনে কাম কৰি যাব পাৰে। শ-শ মাইল ভ্ৰমণ কৰিও তেওঁৰ ভাগৰ নালাগে। এৰোপ্লেনৰ পৰা নামিয়েই সকলো কাম নিয়াৰিকৈ কৰা দেখিলে আচৰিত হব লাগে। আজি গোটেই পৃথিবীয়ে জগতৰ মঙ্গলৰ বাবে এই মানুহটিলৈ একেথৰে চাই আছে। গান্ধীজীৰ শান্তিৰ দূত জৱাহৰলাল

বনুৱা আৰু খেতিয়ক সকলোৰে৷ পৰম বন্ধু। তেওঁলোকৰ বাবেই স্বাধীনতা অসহযোগ আন্দোলনত পুলিচৰ টাঙোনো তেওঁ সহ্য কৰিছিল।

১৯২৯ চনত তেওঁ কংগ্ৰেছৰ সভাপতি হয়। তেওঁ সভাপতি হোৱাৰ পৰাই কংগ্ৰেছৰ শক্তি বাঢ়িবলৈ ধৰিলে।

জৱাহৰলালেই প্ৰত্যেক বছৰ ২৬ জানুৱাৰীৰ দিনাখন স্বাধীনতা দিন পালন কৰা নিয়ম কৰে। জৱাহৰলালৰ দৰে স্বাধীনচিন্তীয়া লোক পৃথিৱীত অতি কম। অসীম সাহসী, অহিংস নীতিৰে যুদ্ধ কৰা তেওঁ এজন বিখ্যাত যোদ্ধা। পৃথিৱীতেই জৱাহৰলালৰ দৰে সকলোজনৰে চেনেহৰ নেতা এইখিনি কালেও বেছি কোৱা নহব। আজিৰ এই জীৱন পাবলৈ ধনীৰ ল'ৰা হৈও তেওঁ কিমান যাতনা ভোগ কৰিছিল, তাক ভাবিবই নোৱাৰি। জেলৰ জীৱনতো তেওঁ সাহিত্য-চৰ্চা কৰিছিল। কেইবাখনিও মূল্যৱান গ্ৰন্থ তেওঁ জেলতে লেখিছিল। সৰুৰে পৰা তেওঁ ইংৰাজী শিক্ষা লৈছিল আৰু বিলাতৰ পৰা বেৰিষ্টাৰী পাচ কৰি বাপেকৰ দৰে এলাহাবাদতে আইন ব্যৱসায় আৰম্ভ কৰিছিল। পৃথিৱীৰ এজন শ্ৰেষ্ঠ লেখক হিচাপে তেওঁক সকলোৱে একেমুখে স্বীকাৰ কৰে। পৃথিৱীৰ বুৰঞ্জীৰ বিষয়ে নেহৰুৰ জ্ঞানো বৰ গভীৰ। জেলৰপৰা জীয়েক ইন্দিৰালৈ লেখা চিঠিবোৰ আজিৰ সমস্ত পৃথিৱীৰ সাহিত্যৰ শিৰোমণিৰ দৰে।

তেওঁ সকলোকে সমান চকুৰে চায়। ধনী-দুখীয়াৰ মাজত যেন কোনো ভেদাভেদ নাথাকে।

সাহিত্য বিজ্ঞানৰ আলোচনাৰ পৰা আৰম্ভ কৰি, খেল-ধেমালিলৈকে সকলো কাম তেওঁ বৰ ভাল পায়।

কংগ্ৰেছৰ নীতি আছিল, অহিংসাৰে ইংৰাজৰ লগত যুঁজি ভাৰতৰ পৰাধীনতাৰ কলঙ্ক গুচোৱা। জৱাহৰলালে এজন সেনাৰ দৰে, মহাত্মা গান্ধীৰ অহিংসাৰ শিক্ষা লৈ গোটেই জীৱন কাম কৰি গৈছে। মহাত্মাই তেওঁক মৰমতে 'জৱাহৰ' বুলি মাতিছিল। জৱাহৰলালে মহাত্মা গান্ধীকে পৃথিৱীৰ সৰ্ব্ব-শ্ৰেষ্ঠ মানৱ হিচাপে ধ্যান কৰে। মহাত্মাৰ অহিংস নীতিত তেওঁৰ অচলা ভক্তি। জেলত থাকোঁতে তেওঁৰ মাকক পুলিচে লাঠিৰে মাৰি অজ্ঞান অৱস্থাত আলিৰ দাঁতিত পেলাই থোৱা খবৰটো শুনি তেওঁ বিচলিত হৈছিল। তেওঁ কৈছিল, "মই আইৰ ওচৰত থকা হোঁতেন অহিংস নীতিয়ে মোক হয়তো বাধা দিব নোৱাৰিলেহেঁতেন।"

জেলৰ কষ্টৰ জীৱনতো তেওঁ সৰল ভাৱে কুকুৰ-মেকুৰীৰ লগতে ধেমালি কৰি, কিতাপ লেখি সময় কটাইছিল।

জৱাহৰলালৰ এই গুণবোৰৰ বাবেই তেওঁ গোটেই পৃথিৱীৰে অন্তৰ জয় কৰিব পাৰিছে। তেওঁ পৃথিৱীৰ সকলো অনাটন, অভাৱত থকা মানুহৰ কথা দ'কৈ চিন্তা কৰে।

অসমক তেওঁ কিমান ভাল পায়, তলৰ উদাহৰণটিৰপৰা বুজা যায়।

১৯৫০ চনৰ অসমত হোৱা ভূমিকম্পৰ বাতৰি শুনি, আমাৰ অতি চেনেহৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল অস্থিৰ হৈ পৰিল। নিজৰ বহুতো ব্যস্ত থাকিবলগীয়া কামবোৰ এৰি

অসমলৈ লৰি আহিল। অসমৰ এনে শোকাবহ অৱস্থাত সহায় কৰিবলৈ নিজেই ভিক্ষাৰ জুলি হাতত তুলি ললে। তাৰ ফলত্তেই কিমান যে বস্ত্ৰ অসমলৈ আমদানি হল।

আমাৰ ভাৰতৰ দীন-দুখী সকলৰ কথাই যে তেওঁ ভাৱে এনে নহয়। পৃথিৱীৰ আন আন দুখী সকলৰ কথাও সদায় সমানে ভাৱে। জাপানীবোৰে এবাৰ যেতিয়া, চীনৰ কণ-কণ ল'ৰা-ছোৱালীবোৰক হত্যা কৰিছিল তেতিয়া জৱাহৰলাল চীনৰ ৰাজধানী চুংকিঙলৈ লৈ গৈছিল আৰু সেই কাৰ্যৰ দৃঢ়ভাৱে প্ৰতিবাদ কৰিছিল।

জগতৰ মঙ্গলৰ বাবে তেওঁ জীৱন পণ কৰিছে। তেওঁক জগতবাসীয়ে শান্তিৰ দূত বুলি ভাৱে।

ভাৰতে স্বাধীনতা পোৱাৰ লগে লগে, জৱাহৰলাল প্ৰধান মন্ত্ৰী হয়। ভাৰতে দিনকালক 'নেহৰু দিনকাল' বুলি সকলোৱে আখ্যা দিছে। পণ্ডিত জৱাহৰলালে কৈছে যে তেওঁক প্ৰধান মন্ত্ৰী নামতকৈ, ৰাইজৰ প্ৰথম সেৱক বুলিলেহে তেওঁ ভাল পায়।

ভাৰতত এটি নতুন জাগৰণ হ'ল; এটি নতুন ভাৱৰ আৰু কামৰ সোঁত বৱলৈ ধৰিলে। পৃথিৱীয়ে জৱাহৰলালৰ কামৰ ক্ষমতা স্বীকাৰ কৰিলে। তেওঁৰ সহকাৰী বিজ্ঞ লোকসকলক দেশ-বিদেশৰ লগত ভাৰতৰ ভাল সম্পৰ্ক পাতিবলৈ পঠালে। সকলো দেশৰ লগতে বন্ধুত্বৰ ডোলেৰে ভাৰত বান্ধ খালে। জৱাহৰলালে মহাত্মাৰ শান্তিৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলে। এই বাণীয়েই পৃথিৱীলৈ নতুন জীৱন আনিব, চিৰ শান্তি আনিব। কলা ডাৱৰৰ

বুকু ফালি, ৰূপালী ৰেখাই গোটেই পৃথিৱী পোহৰ কৰি পেলাব।

এচিয়া মহাদেশৰ এই বেলিটিয়ে পৃথিৱীৰ অন্ধকাৰ দূৰ কৰিব।